**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-08-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## ***HEADLINES***

১। সমগ্ৰ দেশত আজি ভাৰত ত্যাগ আন্দোলনৰ ৮৪ সংখ্যক বাৰ্ষিকী উদযাপন কৰা হৈছে।

২। দেশজুৰি হৰ ঘৰ ত্ৰিৰংগা অভিযান আৰম্ভ হৈছে।

৩। মোদী চৰকাৰে ঔপনিবেশিক যুগৰ আইনৰ ঠাইত প্ৰৱৰ্তন কৰা নতুন ফৌজদাৰী আইন তিনিখন প্ৰযুক্তি, সময়সীমা আৰু বিশ্বাসৰ ওপৰত আধাৰিত বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

৪। অসমত শেহতীয়া বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত শিৱসাগৰ, চৰাইদেউ, যোৰহাট, আৰু গোলাঘাট জিলাত আজিৰ পৰা ক্ষয়-ক্ষতিৰ জৰীপ কৰা হৈছে।

আৰু

৫। অসম কন্যা অস্মিতা চলিহাই কোৰিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগল্‌ছৰ খিতাপ অৰ্জন কৰিছে।

ooooooooo

সমগ্ৰ দেশত আজি ভাৰত ত্যাগ আন্দোলনৰ ৮৪ সংখ্যক বাৰ্ষিকী উদযাপন কৰা হৈছে। ১৯৪২ চনৰ ৮ আগষ্টত মুম্বাইত অনুষ্ঠিত সৰ্বভাৰতীয় কংগ্ৰেছৰ কমিটিৰ বৈঠকৰ অন্তত মহাত্মা গান্ধীয়ে এই আন্দোলন আৰম্ভ কৰিছিল। আন্দোলনৰ সৈতে সংগতি ৰাখি ‘কৰক অথবা মৰক’ আহ্বান জনাই মহাত্মা গান্ধীয়ে গোৱালিয়া টেংক ময়দানত ভাষণ প্ৰদান কৰি ব্ৰিটিছে তৎক্ষণাত দেশ ত্যাগ আৰু ভাৰতক স্বাধীনতা প্ৰদান কৰিব লাগে বুলি দাবী জনাইছিল। ৯ আগষ্টত এই আন্দোলনে প্ৰসাৰ লাভ কৰিছিল। এই দিনটো **আগষ্ট ক্ৰান্তি** দিন বুলিও জনা যায়।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত ত্যাগ আন্দোলনত অংশ লোৱা স্বাধীনতা সংগ্ৰামীসকললৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে মহাত্মা গান্ধীৰ ‘কৰক অথবা মৰক’ আহ্বানৰ দ্বাৰা অনুপ্ৰাণিত হৈ এই সংগ্ৰামীসকলে দেশবাসীক স্বাধীনতা সংগ্ৰামৰ বাবে ঐক্যবদ্ধ কৰিছিল। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে তেওঁলোকৰ অদম্য সাহস, ত্যাগ আৰু দেশপ্ৰেমে প্ৰজন্ম প্ৰজন্ম ধৰি দেশবাসীক উদ্বুদ্ধ কৰি যাব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ বাৰ্তাত কয়, যে মহান স্বাধীনতা সংগ্ৰামীসকলৰ সাহস, প্ৰতিগৰাকী ভাৰতীয় নাগৰিকসকলৰ বাবে সদায় অনুপ্ৰেৰণাৰ উৎস হৈ ৰ’ব। তেওঁ কয়, যে মহাত্মা গান্ধীৰ ভাৰত ত্যাগৰ আহ্বানে স্বাধীনতা সংগ্ৰামৰ নতুন গতি প্ৰদান কৰিছিল। এই আন্দোলনে ঔপনিবেশিক শাসনৰ পৰা মুক্তিৰ বাবে ভাৰতীয় জনসাধাৰণে দেখুওৱা অভূতপূৰ্ব দৃঢ়তাক প্ৰতিফলিত কৰে বুলি তেওঁ মন্তব্য কৰে।

ooooooooo

দেশজুৰি হৰ ঘৰ ত্ৰিৰংগা অভিযান আজি আৰম্ভ হৈছে। ১৭ আগষ্টত এই অভিযানৰ সামৰণি পৰিব। এই অভিযানৰ জৰিয়তে ৰাষ্ট্ৰীয় পতাকা উত্তোলন তথা দেশপ্ৰেম, ৰাষ্ট্ৰীয় একতা আৰু ভাৰতৰ সাংস্কৃতিক ঐতিহ্যৰ

উদযাপনত অংশ লোৱাৰ বাবে দেশৰ নাগৰিকসকলক উৎসাহিত কৰাৰ লক্ষ্য লোৱা হৈছে। ২০২২ চনত স্বাধীনতাৰ অমৃত মহোৎসৱ উদযাপনৰ অংশ হিচাপে আৰম্ভ কৰা এই অভিযান সম্প্ৰতি দেশৰ সৰ্ববৃহৎ ৰাজহুৱা অংশগ্ৰহণমূলক অভিযানলৈ পৰিণত হৈছে। এই অভিযানে সকলো নাগৰিকক ত্ৰিৰংগ পতাকাক ভাৰতৰ একতা, সন্মান আৰু সামূহিক ৰাষ্ট্ৰীয় পৰিচয়ৰ চিহ্ন হিচাপে উদযাপনৰ বাবে অনুপ্ৰাণিত কৰি আহিছে। এই বছৰ ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ডেৰশ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে হৰ ঘৰ ত্ৰিৰংগা অভিযানে বিশেষ গুৰুত্ব বহন কৰিছে। অভিযানৰ অংশ হিচাপে দেশৰ বিভিন্ন প্ৰান্তত বন্দে মাতৰম সমবেত কণ্ঠত পৰিৱেশন কৰা হৈছে।

ইপিনে, দেশ বিভাজনৰ সময়ৰ যাতনা আৰু স্থানান্তৰক সুঁৱৰি চৰকাৰে অহা ১৪ আগষ্টত বিভাজন বিভীষিকা সোঁৱৰণী দিৱসৰ আয়োজন কৰিছে। এই উপলক্ষে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহত পেৰেড, বিভাজন সম্পৰ্কীয় প্ৰদৰ্শনী, তথ্য চিত্ৰ প্ৰদৰ্শনকে ধৰি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। সংস্কৃতি মন্ত্ৰালয়ে ১৪ আগষ্টত জনসাধাৰণক গৌৰৱেৰে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিবলৈ, ৰাষ্ট্ৰীয় গীত গাবলৈ আৰু সামূহিক কাৰ্যকলাপত অংশ ল'বলৈ আহ্বান জনাইছে। এই উপলক্ষে ২০০ৰো অধিক ভাৰতীয় দূতাৱাস, উচ্চায়ুক্ত আৰু বাণিজ্য দূতাৱাসে এলানি কাৰ্যসূচীৰ আয়োজন কৰিছে।

ooooooooo

মোদী চৰকাৰে ঔপনিবেশিক যুগৰ আইনৰ ঠাইত প্ৰৱৰ্তন কৰা নতুন ফৌজদাৰী আইন তিনিখন প্ৰযুক্তি, সময়সীমা আৰু বিশ্বাসৰ ওপৰত আধাৰিত বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। গোৰিমেডুস্থিত আৰক্ষী প্ৰশিক্ষণ ময়দানত আজি পুডুচেৰী আৰক্ষীক ৰাষ্ট্ৰপতিৰ আৰক্ষী ধবজ প্ৰদান অনুষ্ঠানত অংশগ্ৰহণ কৰি গৃহমন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে অধিক প্ৰযুক্তিচালিত আৰু সময় নিৰ্ধাৰিত ব্যৱস্থাৰ মাজেৰে নাগৰিকসকললৈ ন্যায় নিশ্চিত কৰাই নতুন আইন তিনিখনৰ মূল লক্ষ্য।

বাইট (অমিত শ্বাহ)

পুডুচেৰী আৰক্ষীক অভিনন্দন জনাই শ্ৰীশ্বাহে কয়, যে ৰাষ্ট্ৰপতিৰ আৰক্ষী ধবজ লাভ কৰাটো যিকোনো শৃংখলাবদ্ধ আৰক্ষীৰ বাবে জীৱনৰ আটাইতকৈ গৌৰৱৰ ক্ষণ। তেওঁ কয়, যে পুডুচেৰী আৰক্ষী বাহিনীৰ কৰ্মীৰ সংখ্যা ৫ হাজাৰতকৈও কম যদিও বাহিনীটোৱে কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ সুৰক্ষা, অভ্যন্তৰীণ সুৰক্ষা আৰু গৰিমা বৰ্তাই ৰখাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰি আহিছে। ৰাষ্ট্ৰপতিৰ ঐতিহাসিক স্বীকৃতিৰ পাছত পুডুচেৰীয়ে এই সৰ্বোচ্চ সন্মানপ্ৰাপ্ত দেশৰ ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ ভিতৰত অষ্টাদশ স্থান লাভ কৰিছে। অনুষ্ঠানত পুডুচেৰীৰ উপ-ৰাজ্যপাল কে কৈলাশ নাথন, মুখ্যমন্ত্ৰী এন ৰংগস্বামী, গৃহমন্ত্ৰী এ নমঃশিৱায়ম আৰু আৰক্ষী সঞ্চালক প্ৰধান শ্বালিনি সিং উপস্থিত থাকে।

ooooooooo

অসমত শেহতীয়া বানত সৰ্বাধিক ক্ষতিগ্ৰস্ত শিৱসাগৰ, চৰাইদেউ, যোৰহাট, আৰু গোলাঘাট জিলাত আজিৰ পৰা ক্ষয়-ক্ষতিৰ জৰীপ কৰা হৈছে। প্ৰথম পৰ্যায়ৰ জৰীপ অহা ৩০ আগষ্টলৈ চলিব।

ৰাজ্যখনৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ১২ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানৰ কবলত আছে। বানত ৪৬০ খন গাঁৱৰ ১ লাখ ৪৭ হাজাৰ ৩৭৪ জন লোক প্ৰভাৱিত হোৱাৰ লগতে ১০ হাজাৰ ৫৯৯ দশমিক ৮-৯ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। বানত সম্প্ৰতি মৃত্যু হোৱা লোকৰ সংখ্যা ৯৯ হৈছেগৈ।

০০০০০০০০০

নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনৰ অমৃত উদ্যান অহা ১৬ আগষ্টৰ পৰা জনসাধাৰণৰ বাবে মুকলি কৰা হ'ব। ৰাষ্ট্ৰপতি ভৱনৰ বাৰ্ষিক গ্ৰীষ্মকালীন কাৰ্যসূচীৰ অংশ হিচাপে ১৫ ছেপ্তেম্বৰ পৰ্যন্ত এমাহৰ বাবে পুৱা ১০ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ বিনামূলীয়াকৈ এই উদ্যান মুকলি ৰখা হ'ব। অৱশ্যে বিয়লি ৫ বজাৰ পাছত উদ্যানখনত প্ৰৱেশ বন্ধ কৰি দিয়া হ'ব। এই সময়ছোৱাত প্ৰতি সোমবাৰে উদ্যান বন্ধ ৰখা হ'ব। ৰাষ্ট্ৰপতি ভৱনৰ পৰা প্ৰকাশিত বিবৃতি অনুসৰি ২৯ আগষ্টত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস আৰু ৫ ছেপ্তেম্বৰত শিক্ষক দিৱস উপলক্ষে এই দুটা দিনত ক্ৰমে ক্ৰীড়াবিদ আৰু শিক্ষকসকললৈ উদ্যানত বিশেষ প্ৰৱেশৰ সুবিধা প্ৰদান কৰা হ'ব। উদ্যানত প্ৰৱেশ আৰু প্ৰস্থানৰ বাবে নৰ্থ এভিনিউ পথৰ সমীপত থকা ৩৫ নম্বৰ দ্বাৰ ব্যৱহাৰ কৰিবলৈ জনসাধাৰণক বিবৃতিযোগে আহ্বান জনোৱা হৈছে। ৰাষ্ট্ৰপতি ভৱনৰ ৱেবছাইটৰ জৰিয়তে উদ্যান পৰিদৰ্শনৰ সময় আগতীয়াভাৱে পঞ্জীয়ন কৰিবলৈ জনসাধাৰণক আহ্বান জনোৱা হৈছে।

০০০০০০০০

জম্মু-কাশ্মীৰত শেহতীয়াকৈ প্ৰচুৰ বৰষুণ, পথ মেৰামতি তথা অহা কিছুদিনলৈ বতৰ প্ৰতিকূল হোৱাৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি পেহেলগাম আৰু বালতল পথেৰে বাৰ্ষিক অমৰনাথ যাত্ৰা আজিৰে পৰা বাতিল কৰা হৈছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে জাৰি কৰা বতৰৰ বতৰা আৰু পথৰ দুৰৱস্থাৰ পৰিপ্ৰেক্ষিত সাময়িকভাৱে যাত্ৰা বন্ধ ৰখাৰ সিদ্ধান্ত লোৱা হৈছে। সুৰক্ষামূলক ব্যৱস্থা হিচাপে কালি জম্মুৰ ভাগৱতীনগৰৰ মূল শিৱিৰৰ পৰা কোনো তীৰ্থযাত্ৰীক যাত্ৰা কৰাৰ অনুমতি প্ৰদান কৰা হোৱা নাই।

ইপিনে, ২৮ সংখ্যক দলৰ এহেজাৰ ২০২ গৰাকী তীৰ্থযাত্ৰীয়ে অমৰনাথৰ পৱিত্ৰ গুহা দৰ্শন সম্পূৰ্ণ কৰিছে আৰু বালতলৰ মূল শিৱিৰত থকা তীৰ্থযাত্ৰীসকলক ৪৪ খন বাহনেৰে জম্মুৰ দিশে যাবলৈ অনুমতি দিয়া হৈছে। উভতি অহা তীৰ্থযাত্ৰীসকলৰ ভিতৰত ৮৬৭ জন পুৰুষ, ২৫১ গৰাকী মহিলা, এটি শিশু, ৭৯ গৰাকী সাধু, আৰু ৪ গৰাকী সাধ্বী আছে। কালিৰ দিনটোত ৩ হাজাৰ ৩৩৪ গৰাকী তীৰ্থযাত্ৰীয়ে গুহা দৰ্শন কৰাত চলিত বৰ্ষত এই পৱিত্ৰ গুহা দৰ্শন কৰা তীৰ্থযাত্ৰীৰ সংখ্যা ৪ লাখ ৮০ হাজাৰ ১৯ হৈছেগৈ।

০০০০০০০০

ৰাষ্ট্ৰীয় জৈৱ বৈচিত্ৰ্য প্ৰাধিকৰণ এন বি এয়ে ৩৩ খন ৰাজ্যিক জৈৱ বৈচিত্ৰ্য পৰিষদ, কেন্দ্ৰীয়শাসিত জৈৱ বৈচিত্ৰ্য পৰিষদ আৰু প্ৰতিষ্ঠানলৈ জৈৱিক সম্পদৰ লভ্যতা আৰু লাভালাভ অংশীদাৰিত্ব হিচাপে তিনি কোটিৰো অধিক টকা মোকলাই দিছে। ইয়াকেলৈ ৰাষ্ট্ৰীয় জৈৱ বৈচিত্ৰ প্ৰাধিকৰণে মোকলাই দিয়া ধনৰ পৰিমাণ ১৬৬ কোটি টকাৰো অধিক হৈছে। পৰিৱেশ, বহন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে বিলাহী, জলকীয়া, বেঙেনা আৰু ছাহিৱাল গৰুৰ প্ৰজাতিৰ শুক্ৰানুকে ধৰি দেশৰ কৃষি-জীৱ বৈচিত্ৰৰ বাবে এই ধনৰাশি মোকলাই দিয়া হৈছে।

০০০০০০০০০

অসম কন্যা অস্মিতা চলিহাই কোৰিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ খিতাপ অৰ্জন কৰিছে। অস্মিতাই আজি দক্ষিণ কোৰিয়াৰ আছানত অনুষ্ঠিত ফাইনেলত চীনৰ হান চিয়ান শ্বিক ১৪-২১, ২১-১৪, ২১-১৪ গেমত পৰাস্ত কৰে। প্ৰথমটো গেমত পৰাজিত হোৱাৰ পাছত অস্মিতাই সবল প্ৰত্যাৱৰ্তন ঘটাই আৰু ৫৩ মিনিটত বিজয় সাব্যস্ত কৰি খেলুৱৈ জীৱনৰ প্ৰথমটো বি ডব্লিউ এফ খিতাপ হস্তগত কৰে। অস্মিতাই

ইয়াৰ পূৰ্বে ২০২৪ চনত এছিয়া দলীয়া প্ৰতিযোগিতাৰ স্বৰ্ণ পদক অৰ্জন কৰিছিল। ইয়াৰ উপৰি খেলুৱৈগৰাকীয়ে ২০১৯ চনত অনুষ্ঠিত দক্ষিণ এছিয়ান গেমছত মহিলাৰ ছিংগলছ আৰু দলীয় উভয় শিতানত খিতাপ দখল কৰিছিল।

oooooooo

আমেৰিকা যুক্তৰাষ্ট্ৰত অনুষ্ঠিত বিশ্ব এথলেটিক্স ২০ বছৰ অনুৰ্ধ ছেম্পিয়নশ্বিপত ভাৰতৰ বসন্ত কুমাৰ মেঘৱালে হাইজাম্পত ৰূপৰ পদক জয় কৰাৰ লগতে চাহনৱাজ খানে লং জাম্পত ব্ৰঞ্জৰ পদক অৰ্জন কৰে। ১৯ বছৰীয়া মেঘৱালে ২ দশমিক ২-১ মিটাৰ জপিয়াই এই প্ৰতিযোগিতাত হাইজাম্পত পদক জয় কৰা প্ৰথমগৰাকী ভাৰতীয় খেলুৱৈ হিচাপে বিবেচিত হয়। ইয়াৰ পূৰ্বে কালি আশীষ যাদৱে জেভলীন থ্ৰোত ৰূপৰ পদক লাভ কৰে। আশীষ বিশ্ব এথলেটিক্স ২০ বছৰ অনুৰ্ধ চেম্পিয়নশ্বিপত নিৰজ চোপ্ৰাৰ পাছতে পদক জয় কৰা দ্বিতীয়গৰাকী খেলুৱৈ হিচাপে বিবেচিত হয়।

ooooooooo

সমাপ্ত